জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮২/২০২১

# শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সাধাৰণ পৰিষদৰ বৈঠকত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## স্থানীয় ভাষাত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম প্ৰস্তুতৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যক দায়িত্ব অৰ্পণ

**দিছপুৰ, ১২ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী তথা শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত আজি জনতা ভৱনত বিশ্ববিদ্যালয়খনৰ পঞ্চম সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। পৰিষদৰ অন্যান্য সদস্যৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত বিশ্ববিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা হয়।

সাধাৰণ পৰিষদৰ এই বৈঠকত বিভিন্ন বিষয়ৰ সন্দৰ্ভত বিতং আলোচনাৰ পিছত উন্নত মানৰ শৈক্ষিক পৰিৱেশ গঢ়ি তোলা আৰু বিশ্ববিদ্যালয়খনত এক শক্তিশালী প্ৰশাসনিক ব্যৱস্থা অনাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশ্ববিদ্যালয়খনৰ কেতবোৰ সেৱা ডিজিটেলকৰণ, তিনিটা পৰ্যায়ত ফেল'শ্বিপ কাৰ্যসূচী প্ৰৱৰ্তন অৰ্থাৎ জ্যেষ্ঠ ফেল'শ্বিপ (পিজি পৰ্যায়), ফেল'শ্বিপ (স্নাতক পৰ্যায়) আৰু বিশেষ ফেল'শ্বিপ (দন্ত, নাৰ্চিং ইত্যাদি পাঠ্যক্ৰম) প্ৰদানৰ বাবেও বৈঠকত সিদ্ধান্ত লোৱা হয়। আজিৰ এই বৈঠকতে উৎকৃষ্ট আৰু গুণগত সেৱা সুনিশ্চিত কৰাৰ বাবে চিকিৎসা মহাবিদ্যালয়সমূহ পৰিদৰ্শনৰ বাবে উপযুক্ত ব্যৱস্থা গঢ়ি তোলা, এই বিশ্ববিদ্যালয়ৰ অধীনত থকা সকলো চিকিৎসা মহাবিদ্যালয়ৰ বাবে অভিন্ন শৈক্ষিক ৰুটিন আৰু শিক্ষাৰ্থী তথা অনুষদৰ বাবে একক পৰিচয় নম্বৰ দিয়াৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

আজিৰ এই বৈঠকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থানীয় ভাষাত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম বিকাশৰ বাবে দিয়া পৰামৰ্শও আলোচনা কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডাঃ ধ্ৰুৱজ্যোতি বৰাক বিষয়টোৰ সন্দৰ্ভত প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ বাবেও দায়িত্ব প্ৰদান কৰে।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশ্ববিদ্যালয়খনৰ কাৰ্যকলাপ সু-শৃংখল কৰাৰ বাবে স্থায়ী চৌহদৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে বাইহাটা চাৰিআলিত স্থায়ী চৌহদ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়োৱা ভূমিত বিশ্ববিদ্যালয়ৰ সীমা বেৰৰ সৈতে প্ৰশাসনিক ভৱন নিৰ্মাণৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া সোনকালে সম্পূৰ্ণ কৰাৰ বাবে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য আৰু লোকনিৰ্মাণ বিভাগ(স্বাস্থ্য আৰু শিক্ষা)ৰ মুখ্য অভিযন্তাক নিৰ্দেশ দিয়ে। আগন্তুক ২ বছৰৰ ভিতৰত এই স্থায়ী চৌহদৰ পৰাই প্ৰশাসনিক আৰু মৌলিক শৈক্ষিক কাৰ্যকলাপ আৰম্ভ কৰিব পৰা যায় তাক সুনিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে সাধাৰণ লোকসকলক লাভান্বিত কৰিব পৰাকৈ 'লেব টু ফিল্ড'লৈ ৰূপান্তৰ সাধনৰ দিশত গৱেষণা কৰাৰ বাবেও বিশ্ববিদ্যালয়খনক গুৰুত্ব প্ৰদান কৰিবলৈ কয়।

আজিৰ এই বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, উপদেষ্টা ড° ননী গোপাল মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডাঃ ধ্ৰুৱজ্যোতি বৰা, স্বাস্থ্য শিক্ষাৰ সঞ্চালক ডাঃ অনুপ কুমাৰ বৰ্মন, স্বাস্থ্য, শিক্ষা আৰু লোকনিৰ্মাণ বিভাগৰ অন্যান্য শীৰ্ষ বিষয়াসকলো উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**১২-১২-২০২১**